জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৫/২০২০

### অসম অলিম্পিক সন্থাৰ দ্বাৰা প্ৰস্তুত কৰা ভিডিঅ' উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## এই ভিডিঅ'ই ক্ৰীড়াবিদসকলৰ মানসিকতাত ইতিবাচক প্ৰভাৱ পেলাব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৮ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথি শালাত অসম অলিম্পিক সন্থাৰ দ্বাৰা কৰ'ণা ভাইৰাছ অতিমাৰীৰ বিৰুদ্ধে সন্মুখৰ পৰা যুঁজ দি থকা যোদ্ধাসকলৰ সন্মানাৰ্থে প্ৰস্তুত কৰি উলিওৱা এটি ভিডিঅ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

উল্লেখ্য যে অসম অলিম্পিক সন্থাৰ প্ৰচাৰ কোষৰ সভাপতি ৰাজীৱ প্ৰকাশ বৰুৱাৰ বিষয়বস্তু তথা পৰিকল্পনাৰে নিৰ্মাণ কৰি উলিওৱা এই ভিডিঅ'টোত হিমা দাস, শিৱাঙ্গী শৰ্মা, লাভলিনা বৰগোঁহাই, অংকুশিতা বড়ো তথা অন্যান্য ক্ৰীড়াবিদসকলে অভিনয় কৰাৰ উপৰি ভিডিঅ'টোত প্ৰখ্যাত সংগীত শিল্পী সংগীতা কাকতি, অনিৰ্বান দাস আৰু অনুস্কা বৰুৱাই কণ্ঠদান কৰিছে।

এই ভিডিঅ'টো প্ৰস্তুত কৰি উলিওৱাৰ বাবে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভিডিঅ'টোৰ জৰিয়তে ক'ভিড-১৯ ৰ বিৰুদ্ধে সন্মুখৰ পৰা যুঁজ দিয়া যোদ্ধাসকলে মনোবল আৰু সাহস পোৱাৰ উপৰি ক্ৰীড়াবিদ তথা অন্যান্য সকলেও সাহস আৰু মনোবল পাব। কৰ'ণা ভাইৰাছৰ কলীয়া ডাৱৰে ধূসৰিত কৰা এই জটিল সন্ধিক্ষণত এই ভিডিঅ'টোৱে কৰ'ণা ভাইৰাছ সৃষ্ট নেতিবাচক বাতাৱৰণ নাশ কৰি ইতিবাচক বাতাৱৰণৰ সৃষ্টিত বিশেষভাৱে অৰিহণা যোগাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসম অলিম্পিক সন্থাক ক্ৰীড়াবিদসকলৰ মনোবল অটুট ৰখাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদকগৰাকীক স্বাস্থ্য বিভাগে নিৰ্দ্ধাৰণ কৰি দিয়া বিধি-বিধান তথা সামাজিক দূৰত্ব অটুট ৰাখি তেওঁলোকৰ নিয়মীয়া অনুশীলন অব্যাহত ৰখাৰ দিশত উদ্ভাৱনীমূলক পদক্ষেপ লোৱাৰ বাবেও নিৰ্দেশ দিয়ে।

আজিৰ এই ভিডিঅ' উন্মোচনৰ সময়ত ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য- সচিব লক্ষ্য কোঁৱৰ, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু, অসম অলিম্পিক সন্থাৰ সদস্য প্ৰণয় বৰদলৈ, সন্তৰণবিদ শিৱাঙ্গী শৰ্মা, মুষ্টিযোদ্ধা শিৱ থাপাৰ লগতে অন্যান্যসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৮/৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in